# ৰক্তবীজ

**জুবিন গাৰ্গ**

মোৰ বুকুৰ শেৱালিবোৰ ফুলিব দিয়া
তোমাৰ আৱেগৰ স্নিগ্ধ চকুত
শেৱালিবোৰ সৰিব দিয়া
তোমাৰ চেঁচা নিয়ৰৰ ঘাঁহনিত
গচকি গচকি যোৱা
আৰু বাৰে বাৰে উলিয়াব দিয়া
মোৰ প্ৰেমৰ ৰক্তবীজ ৰূপ

মোৰ তেজ সলনি নহয়
নহয় মোৰ ৰূপ
নহয় মোৰ প্ৰেম নাইবা কবিতা
মাথোঁ মৰহিব নিদিবা মোৰ
হৃদয়ৰ শেৱালিবোৰ

অলপ দিনৰ বাবে বন্ধ কৰি দিয়া ৰ'দবোৰ
মই জোনাকত ফুলোঁ!